## (বুজাবুজিৰ স্মাৰক)

## প্ৰধান মন্ত্ৰী কৃষি সিঞ্চাই আঁচনিৰ (হৰ খেত কো পানী)২০১৯-২০ ৰ অধীনত নিৰ্মাণ হোৱা নলীলাদ আঁচনিৰ বাবে অসম চৰকাৰ আৰু ........................... নলীলাদ জলসিঞ্চন আঁচনিৰ উপভোক্তা সমিতিৰ মাজত সম্পাদিত চুক্তিপত্ৰ

অসমৰ ৰাজ্যপালৰ হৈ অসম চৰকাৰৰ ....................সংমণ্ডল(জলসিঞ্চন)ৰকাৰ্য্যবাহী অভিযন্তা(প্ৰথম পক্ষ) আৰু .......................... নলীলাদ জলসিঞ্চন আঁচনিৰ উপভোক্তা সমিতিৰ(দ্বিতীয় পক্ষ)মাজত ইয়াৰ দ্বাৰা আজি ................ তাৰিখে ................. স্থানত নিম্নলিখিত চুক্তি সম্পাদন কৰে।

এই চুক্তি অনুসৰি ........... জিলাৰ ............... উন্নয়ন খণ্ডৰ অন্তৰ্গত .................... নলীনাদ জলসিঞ্চন আঁচনিখন আজি ............. তাৰিখৰ পৰা জলসিঞ্চন ব্যৱস্থাপনাৰ বাবে হস্তান্তৰ কৰা হয়। উক্ত আঁচনি আৰু আঁচনিৰ অংশৰ অন্তৰ্গত এলেকাৰ মানচিত্ৰ ইয়াৰ লগত সংলগ্ন কৰা হৈছে। উক্ত নলীনাদ জলসিঞ্চন আঁচনিখনৰ চৰকাৰে নিৰ্মাণ কৰা সকলোবোৰ নিৰ্মাণ কাৰ্য চৰকাৰী পক্ষৰ হৈয়ে থাকিব। এই ক্ষেত্ৰত নিম্নলিখিত চৰ্তসমূহ উভয়পক্ষৰ দ্বাৰা গ্ৰহণ কৰা হয়। দুয়োপক্ষৰ সন্মতি সাপেক্ষে চৰ্তাৱলীৰ কিছু সালসলনি কৰিব পাৰিব।

### উদ্দেশ্যঃ

চৰকাৰৰ এই চুক্তি সম্পাদনৰ মূল উদ্দেশ্য হ'ল, উপভোক্তা সমিতিয়ে উক্ত নলীনাদ জলসিঞ্চন প্ৰক্ৰিয়াৰ অংশীদাৰ হৈ আঁচনিৰ পানী প্ৰয়োগৰ জৰিয়তে শস্যৰ আকাংক্ষিত উৎপাদন লাভ কৰা, আঁচনিখন সঠিকভাৱে চলোৱা আৰু ৰক্ষণাবেক্ষণ কাৰ্য্যত নিজকে জড়িত কৰা। এই ক্ষেত্ৰত উপভোক্তা সমিতিয়ে চৰকাৰৰ কৰণীয় অধিকাৰ আৰু দায়িত্ব সম্পৰ্কত অৱগত হোৱা দৰকাৰ।

১)জলসিঞ্চন প্ৰক্ৰিয়াত উভয়পক্ষই মানি লোৱা ধৰণে শস্যকাল (Crop Period) নিৰূপণৰ বাবে যৌথ ব্যৱস্থাপনাৰ ক্ষেত্ৰত উপভোক্তা সমিতিয়ে সক্ৰিয় ভূমিকা গ্ৰহণ কৰিব।

২)আঁচনিৰ দায়িত্ব লোৱাৰ পিছত উপভোক্তা সকলে আঁচনি বা পাম্প সঠিকভাবে চলাব আৰু শস্যাবৃত ভূমিত পানী বিতৰণ কৰিব।

৩)এই ক্ষেত্ৰত সামগ্ৰিক ভাৱে মিতব্যয়িতা নীতি মানি চলিব। উক্ত আঁচনিখনৰ অন্তৰ্গত এলেকাত কৰা প্ৰতিটো কৃষিশস্য অনুযায়ী চৰকাৰে নিৰ্দ্ধাৰণ কৰি দিয়া হাৰত জলসিঞ্চন কৰ/মাচুল নিয়মিত ভাৱে আদায় দিব।

৪)আঁচনিখনৰ নলীনাদ, পাম্প আদিৰ সংৰক্ষণ আৰু মেৰামতি কৰিব। পানীৰ প্ৰয়োগৰ উপযুক্ত বিজ্ঞানসন্মত পদ্ধতিৰ আধুনিক কৌশল আহৰণ কৰি প্ৰয়োগ কৰিব। বিদ্যুত মাচুল/

সৌৰ পেনেল তথা সমগ্ৰ ব্যৱস্থাটোৰ অংশসমূহৰ নিয়মীয়া তদাৰকী, সংৰক্ষণ, মেৰামতি আদি যাবতীয় খৰচৰ বাবে উপভোক্তাসমিতি দায়বদ্ধ হ'ব।

## হস্তান্তৰঃ

জলসিঞ্চন আঁচনিখন উপভোক্তাৰ সমিতিলৈ হস্তান্তৰ কৰাৰ ক্ষেত্ৰত নিম্নলিখিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব -

১) প্ৰকল্প বিষয়াই হস্তান্তৰিত হ'বলগীয়া আঁচনিৰ পাম্প, পাম্পগৃহ, লাইন চেকচনৰ দৈৰ্ঘ্য গাঁঠনি, ক্ৰচিং, শ্লুইচ, নিৰ্গত নলা (Outlet)আৰু নলীনাদ আদি উল্লেখ কৰি এখন তালিকা প্ৰস্তুত কৰিব।

২)প্ৰকল্প বিষয়া আৰু উপভোক্তা সকলে যৌথভাৱে আঁচনি পৰিদৰ্শন কৰি আঁচনিৰ ত্ৰুটি, বাদ পৰা অংশ (Left Out Part)নিম্নমান নতুবা অসম্পূৰ্ণ কৰ্ম আদি থাকিলৈ সেইবোৰ লিপিবদ্ধ কৰিব।

৩)চূড়ান্ত পৰ্যায়ত প্ৰকল্প বিষয়াই ওপৰত উল্লেখ কৰা লেখ্য (Document)সহ সম্পূৰ্ণ ব্যৱস্থাপনাটো উপভোক্তা সমিতিলৈ হস্তান্তৰ কৰিব । হস্তান্তৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত কৰ্তৃত্বপ্ৰাপ্ত প্ৰকল্প বিষয়া আৰু উপভোক্তা সমিতিৰ কৰ্তৃপক্ষয় চুক্তিপত্ৰত স্বাক্ষৰ কৰিব।

## স্বত্ব আৰু দায়িত্বঃ

**(ক) চৰকাৰ (প্ৰকল্প বিষয়াৰ দ্বাৰা প্ৰতিনিধিত্ব)-**

১. উপভোক্তা সমিতিলৈ হস্তান্তৰিত হোৱা আঁচনিখন চালন আৰু সংৰক্ষণৰ উন্নীতকৰণ কৰিব লাগিলে তেনে পৰামৰ্শ আগবঢ়াব।

২. চুক্তিখন সন্তোষজনক হৈছে নে নাই তাক নিৰূপণ কৰাৰ বাবে আঁচনিখনৰ এলেকাধীন ক্ষেত্ৰত পানীযোগানৰ ব্যৱস্থা, ক্ষেত্ৰপৰ্যায়ৰ গাঁঠনি আদি পৰিদৰ্শন কৰিব।

৩. সাধাৰণ(গতানুগতিক) জলসিঞ্চনৰ লেখীয়াকৈ আঁচনিখনৰ এলেকাত নিৰ্গমন/ নিগৰি যোৱা (Percolation) পানীৰ বাবে জলসিঞ্চন কৰ নিৰূপণ কৰা হ'ব।

৪. আঁচনিৰ পাম্প আৰু সকলো গাঁঠনি, চৰকাৰে অধিগ্ৰহণ কৰা ভূমি আৰু চৰকাৰে নিৰ্মাণ কৰা সকলোবোৰ কাৰ্যত চৰকাৰৰ মালিকানা ন্যস্ত থাকিব।

**(খ) নলীনাদ জলসিঞ্চন আঁচনিৰ উপভোক্তা-**

১) নলীনাদ জলসিঞ্চন আঁচনিৰ উপভোক্তা সমিতিয়ে হস্তান্তৰিত হোৱা আঁচনিখন সকলো গাঁঠনি, কাৰ্য, চালন আৰু সংৰক্ষণৰ সকলো দায়িত্ব গ্ৰহণ কৰিব লাগিব। ক্ষেত্ৰ পৰ্যায়ৰ পানী বিতৰণৰ ব্যৱস্থাৰ নলা আদি নিৰ্মাণ, মেৰামতি আৰু সংৰক্ষণৰ বাবে সকলো ব্যৱস্থা নিশ্চিত কৰিব। আঁচনিৰ আনুস্থানিক হস্তান্তৰৰ আগতে ওপৰোক্ত কাৰ্য্যৰ জৰিয়তে আঁচনি সঠিকভাবে কাৰ্য্যক্ষম হৈ থকাটো নিশ্চিত কৰিব । আঁচনি সংৰক্ষণৰ ক্ষেত্ৰত নলীনাদ, পাম্প, সৌৰশক্তিৰ পেনেল, বৈদ্যুতিক লাইন আদিৰ সংৰক্ষণ কৰা কাৰ্য্যসমূহ অন্তৰ্ভুক্ত ।

২)নলীলাদ আঁচনি খনৰ অন্তৰ্গত এলেকাৰ ভিতৰৰ সকলো সামগ্ৰী একো হানি নোহোৱাকৈ ৰক্ষণাবেক্ষণ।

৩)পানী যোগানৰ উন্নত ব্যৱস্থাপনাৰ বাবে উপভোক্তা সমিতিয়ে পৰামৰ্শ আগবঢ়াব বা কাৰ্য্যপন্থা গ্ৰহণ।

৪)উন্নত জল ব্যৱস্থাপনাৰ বাবে ও পানী বিতৰণৰ আভ্যন্তৰীণ বিষয়ত পানী উপভোক্তা সমিতিৰ সম্পূৰ্ণ অধিকাৰ থাকিব।

৫)সমগ্ৰ পদ্ধতিটোৰ পৰিকল্পিত (planned) চালন আৰু ৰক্ষণাবেক্ষণৰ বাবে চৰকাৰৰ পৰা তথ্য বিচাৰিব বা সংগ্ৰহ কৰিব পাৰিব।

৬)চৰকাৰে অধিগ্ৰহণ কৰা ভূমি যদি কোনো ফলদায়ক কামত ব্যৱহাৰ নোহোৱাকৈ আছে তেন্তে উক্ত ভূমি ব্যৱহাৰৰ বাবে অনুমতি বিচাৰিব পাৰে। অৱশ্যে পাৰিপাৰ্শ্বিকতা আৰু আঁচনি প্ৰণালীৰ ক্ষতি নোহোৱাকৈ ৰাখিবলৈ উপযুক্ত যত্ন ল'ব।

৭)হঠাতে হ'ব পৰা প্ৰাকৃতিক দুৰ্যোগ- যেনে ভূমিকম্প, ধুমুহা বতাহ, প্ৰবল বৰষুণ, বানপানী আদিৰ দ্বাৰা কিবা ক্ষয় ক্ষতি হ'লে তুৰন্তে প্ৰকল্প কৰ্তৃপক্ষৰ দৃষ্টিগোচৰ কৰিব।

৮)চৰকাৰে নিৰ্দিষ্ট কৰি দিয়া নিৰিখ অনুসৰি উপভোক্তা সমিতিয়ে জলসিঞ্চন কৰ আদায় দিব।

৯)জলসিঞ্চন আঁচনিৰ হিচাব পৰীক্ষা কৰা তথ্য ৰাখিব / সংৰক্ষণ কৰিব।

১০)বে-চৰকাৰী সংস্থা আৰু চৰকাৰী বিভাগৰ লগত যোগাযোগ ৰাখিব।

১১)জলসিঞ্চন আঁচনি চলোৱাৰ বৈদ্যুতিক মাচুল পোনপটীয়াকৈ (directly) অসম ৰাজ্যিক বিদ্যুত পৰিষদ/ শক্তি বিতৰণ নিগমক আদায় দিব।

১২)আঁচনি মেৰামতি আৰু ৰক্ষণৰ বাবে উপভোক্তা সমিতিয়ে আৰু আন আয় আহৰণ কৰিব পৰা মাচুল আদায়ৰ জৰিয়তে ইয়াৰ পুঁজি সংগ্ৰহ কৰিব।

১৩)আঁচনিখনৰ নিৰ্মাণকাৰী সংস্থাই (contractor) আঁচনিখন সম্পূৰ্ণহোৱা তাৰিখৰ পৰা ৩ বছৰলৈকে বিনামূলীয়াকৈ মেৰামতি কৰিব।

১৪)আঁচনিখনত যোগানধৰা ২০০ মিটাৰ দীঘল কেনভাচ পাইপ মাত্ৰ এবাৰহে দিয়া হৈছে। পৰৱৰ্তী কালত বেয়া হলে উপভোক্তা সমিতিয়ে নিজে যোগান ধৰি আঁচনিখন কাৰ্যক্ষম কৰি ৰাখিব লাগিব।

**<u>বিবিধ</u>**

১) উপভোক্তা সমিতিআৰু চৰকাৰৰ মাজত সম্পাদিত চুক্তিপত্ৰ অনুসৰি কাৰ্য্য সম্পাদন হৈছে নে নাই নলীলাদ আঁচনি খনৰ অন্তৰ্গত সকলো সামগ্ৰী, ব্যৱস্থা আৰু অন্তৰ্গত এলেকা সঠিক হৈ আছে নে নাই সেইবোৰ পৰিদৰ্শন কৰাৰ বাবে জলসিঞ্চন বিভাগৰ বিষয়াৰ (কাৰ্য্যবাহী অভিযন্তা/ সহকাৰী কাৰ্য্যবাহী অভিযন্তা নতুবা তেওঁৰ দ্বাৰা কৰ্তৃত্ব প্ৰাপ্ত আন বিষয়া) অধিকাৰ থাকিব। তেনে পৰিদৰ্শনৰ সময়ত জলসিঞ্চন বিষয়াই আগবঢ়োৱা পৰামৰ্শৰলী উপভোক্তা সমিতিয়ে মানি চলিবলৈ বাধ্য থাকিব।

২)যদিহে উপভোক্তা সমিতিয়ে বিভাগীয় অধিনিয়ম আৰু নিয়মাৱলী মানি নচলে তেনে ক্ষেত্ৰত

The Assam Irrigation Act, 1983

The Assam Irrigation Rules, 1997

The Assam Irrigation Water Users' Act 2005

The Assam Ground Water (Control & Regulation)Act, 2012

আৰু সময়ে সময়ে কৰা সেইবোৰ নিয়মাৱলীৰ শুধৰণিৰ কোনো বিৰোধ নোহোৱাকৈ চৰকাৰে আঁচনি খনৰ অন্তৰ্গত জলসিঞ্চন গোটেই ব্যৱস্থা চৰকাৰৰ হাতলৈ ঘুৰাই অনাৰ অধিকাৰ থাকিব।

৩)এই চুক্তিপত্ৰত সন্নিৱিষ্ট বিষয়ৰ আটাইবোৰ বিবাদ এখন সমিতিয়ে নিষ্পত্তি কৰিব। উক্ত সমিতিত নলীলাদ আঁচনি খনৰ উপভোক্তা গৰাকী, বেচৰকাৰী সংস্থা, কৃষকৰ ব্যৱস্থাপনা সমিতি, জলসিঞ্চন বিভাগৰ সংশ্লিষ্ট আধীক্ষক অভিযন্তা আৰু কাৰ্য্যবাহী অভিযন্তা থাকিব। নিষ্পত্তিকৰণৰ ক্ষেত্ৰত কিবা অসুবিধাৰ সৃষ্টি হ'লে বিষয়টো সংশ্লিষ্ট মুখ্য অভিযন্তা বা চৰকাৰী বিভাগলৈ নিষ্পত্তিৰ বাবে প্ৰেৰণ কৰিব।

এই চুক্তিপত্ৰ স্বাক্ষৰিত হোৱা দিনৰ পৰা কাৰ্য্যকৰী হ'ব। ইয়াৰ নিৰন্তৰতা বা বৈপৰীত্য দুয়োপক্ষৰ সন্মতি সাপেক্ষে নিৰ্দ্ধাৰিত হ'ব।

.......................... নলীলাদ জলসিঞ্চন আঁচনি খনৰ উপভোক্তা সমিতিৰ সভাপতি/সম্পাদকৰ নাম আৰু স্বাক্ষৰ

....................

(২য় পক্ষ)

সাক্ষী

১)

২)

কাৰ্য্যবাহী অভিযন্তা

................... সংমণ্ডল(জলসিঞ্চন)

............................

(১ম পক্ষ)

সাক্ষী

১)

২)